# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-06-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। সমগ্ৰ বিশ্বৰ লগতে অসমতো আন্তৰ্জাতিক যোগ দিৱস উদযাপন। বাক্সাৰ শালবাৰীত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

২। শিৱসাগৰ জিলাৰ ভটিয়াপাৰত অ' এন জি চিৰ ৰীগৰ পৰা গেছ্ নিৰ্গমনৰ গতি ক্ৰমাৎ হ্ৰাস পাইছে বুলি অ' এন জি চিৰ কৰ্তৃপক্ষৰ জাননী।

৩। চিৰাং আৰু বাক্সা জিলাত মুখ্যমন্ত্ৰীৰ দুখন অত্যাধুনিক কাৰাগাৰ উদ্বোধন।

৪। কাইলৈৰ পৰা শক্তিপীঠ কামাখ্যাত অম্বুবাচীৰ মহাযোগ। নীলাচলৰ বুকুত দেশী-বিদেশী সাধু-সন্ত, ভক্তৰ সমাগম। ***আৰু***

৫। ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম টেষ্টত ভাৰতৰ সবল স্থিতি। শুভমন গিলৰ পাছত ঋষভ পণ্টৰো আকৰ্ষণীয় শতক।

ooooo

সম্প্ৰতি বিশ্বৰ বিভিন্ন অংশত দেখা দিয়া ক্ৰমবৰ্ধমান উৎকণ্ঠা, অস্থিৰতা আৰু অশান্তিৰ দৰে পৰিস্থিতিসমূহৰ মাজত যোগে শান্তিৰ পথ দেখুৱাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰে। বিশাখাপট্টনমত আয়োজিত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এইবেলি ২১ জুনৰ দিনটোত সমগ্ৰ বিশ্ববাসী একাদশবাৰলৈ যোগাভ্যাসৰ বাবে ঐক্যবদ্ধ হৈছে। তেওঁ লগতে কয় যে মানৱ সমাজক শ্বাস গ্ৰহণ, ভাৰসাম্য ৰক্ষা আৰু সামগ্ৰিকভাৱে এটা শক্তি হিচাপে পুনৰ অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত যোগ, পৰিৱৰ্তনৰ বাহক হিচাপে বিবেচিত হৈছে।

বাইট ঃ প্ৰধানমন্ত্ৰী

এক বিশ্ব এক স্বাস্থ্য মূল মন্ত্ৰৰে আজি ভাৰতৰ লগতে বিশ্বৰ বহুকেইখন দেশত একাদশ আন্তৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। ৰাজ্যৰ বিভিন্ন স্থানতো আজি বিভিন্ন কাৰ্যসূচীৰে যোগ দিৱস উদযাপন কৰাৰ বাতৰি আমালৈ আহি আছে। অসম আৰক্ষীৰ উদ্যোগত আজি পুৱা গুৱাহাটীৰ কাহিলীপাৰাস্থিত **চতুৰ্থ অসম আৰক্ষী বাহিনীৰ** চৌহদত কেন্দ্ৰীয়ভাৱে যোগ দিৱস উদ্‌যাপন কৰা হয়। এই কাৰ্যসূচীত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙৰ লগতে অন্যান্য বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকি যোগ অনুশীলনত অংশগ্ৰহণ কৰে। **গুৱাহাটী বিশ্ববিদ্যালয়**তো বিবেকানন্দ কেন্দ্ৰৰ সহযোগত যোগ দিৱস পালন কৰা হয়। অনুষ্ঠানটি উদ্বোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° ননীগোপাল মহন্তই যোগ দৈনন্দিন জীৱনৰ অপৰিহাৰ্য অংগ হোৱা উচিত বুলি ব্যক্ত কৰে। **বজালী জিলা** সদৰ পাঠশালাৰ হৰি মন্দিৰ প্ৰাঙ্গনত জিলা যোগ সমিতিৰ উদ্যোগত

আন্তৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। **পশ্চিম কাৰ্বি আংলং** জিলাৰ ভকচঙত কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ  তাৰ'ৰে আজি আন্তৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে যোগৰ বিভিন্ন মুদ্ৰাৰে যোগাভ্যাস কৰে।

**চৰাইদেউ জিলাত** জিলা প্ৰশাসন তথা ৰাষ্ট্ৰীয় আয়ুষ মিছন অসমৰ উদ্যোগত আয়োজন কৰা যোগ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। **বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম** প্ৰাঙ্গনত আজি ভাৰতীয় পুৰাতত্ব জৰীপ বিভাগৰ গুৱাহাটী চক্ৰৰ উদ্যোগত যোগ দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি যোগাভ্যাস আৰু প্ৰাণায়ামৰ অনুশীলন কৰে।

যোৰহাট জিলাত আয়োজন কৰা যোগ দিৱসৰ কাৰ্যসূচীত আজি  জিলা আৰক্ষী অধীক্ষকক শ্বেতাংগ মিশ্ৰই উদ্বোধন কৰে। এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন আৰক্ষী বিষয়াই যোগদান কৰে। ওদালগুৰি জিলাতো বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা যোগ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী পিযুছ হাজৰিকাই অংশগ্ৰহণ কৰে।

০০০০০

শিৱসাগৰ জিলাৰ ভটিয়াপাৰত অ' এন জি চিৰ ৰীগৰ পৰা গেছ নিৰ্গমন ৰোধ কৰিবলৈ আজি দশম দিনাও চেষ্টা অব্যাহত আছে। আমেৰিকাৰ পৰা অহা তিনিজন বিশেষজ্ঞই কেপিং পদ্ধতি প্ৰয়োগেৰে গেছ নিৰ্গমন ৰোধ কৰিবলৈ নিৰন্তৰ চেষ্টা চলাই আছে। গেছ নিৰ্গমনৰ গতি হ্ৰাস পোৱা বুলি অ' এন জি চিৰ কৰ্তৃপক্ষই জানিবলৈ দিছে।

ইপিনে ফুকন নগৰত থকা এছ কে পেট্ৰ'ৰ মুখ্য কাৰ্যালয়ত বীৰ লাচিত সেনাৰ শিৱসাগৰ জিলা সমিতিয়ে প্ৰতিবাদ অব্যাহত ৰাখিছে। আজি প্ৰতিবাদস্থলীত উপস্থিত হৈ এছ কে পেট্ৰ'ৰ প্ৰতিনিধিৰ দলে বীৰ লাচিত সেনাৰ সৈতে আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। বীৰ লাচিত সেনাই আলোচনা স্বীকাৰ কৰি কেইবাটাও দাবী উত্থাপন কৰে। ১০০ শতাংশ অসমীয়া যুৱক-যুৱতীক মেধাৰ ভিত্তিত নিযুক্তি দিয়াৰ লগতে কৰ্মৰত অৱস্থাত মৃত্যু হোৱা বিশ্ব হাজৰিকাৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আৰু চাকৰি দিবলৈ বীৰ লাচিত সেনাই দাবী জনায়। এছ কে পেট্ৰ'ৰ প্ৰতিনিধিসকলে দাবীসমূহ কাৰ্যকৰী কৰাৰ আশ্বাস দিয়ে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত নিকাচিত জিলা কাৰাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নৱনিৰ্মিত জিলা কাৰাগাৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বাক্সা জিলাৰ উন্নয়নৰ বাবে অসম মালা দ্বিতীয় পৰ্যায়ৰ আঁচনিৰ অধীনত বৰমাৰ পৰা তামুলপুৰ আৰু নিকাচিলৈ পথ নিৰ্মাণ কৰি থকা হৈছে। কুৱাৰা চ'কৰ পৰা অঞ্চলীলৈ এটা নতুন পকীপথকে ধৰি মুঠ দুটা পকীপথ নিৰ্মাণৰ আঁচনি লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা,  জয়ন্ত মল্লবৰুৱা, উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, বিধায়ক ভূপেন বড়োকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে চিৰাং জিলাৰ কাজলগাঁৱত অত্যাধুনিক সা-সুবিধাযুক্ত জিলা কাৰাগাৰ মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় আৰু আৰ্থসামাজিক সজাগতা সন্দৰ্ভত ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে।

**বাইট (চি এম)**

নৱনিৰ্মিত জিলা কাৰাগাৰখনত মুঠ ৬৩৬ গৰাকী আচামী আৰু কয়দী ৰখাৰ ব্যৱস্থা আছে। কাৰাগাৰখনৰ ভিতৰত পুৰুষ আৰু মহিলাৰ বাবে পৃথকে চিকিৎসালয়, বিদ্যালয় আৰু গ্ৰন্থাগাৰো আছে।

০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলাখনত ৰূপায়িত হৈ থকা **মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান** আৰু **মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত** আঁচনি সন্দৰ্ভত পৰ্যালোচনা কৰে। ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত মন্ত্ৰী শ্ৰীহাজৰিকাই আঁচনিখনৰ সফল ৰূপায়ণ সুনিশ্চিত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। আঁচনিদুখনৰ পৰা যাতে যোগ্য হিতাধিকাৰী বাদ পৰি নাযায়, তাৰ বাবে বিষয়াসকলক আঁচনিৰ সঠিক ৰূপায়ণত গুৰুত্ব প্ৰদান কৰিবলৈ তেওঁ লগতে নিৰ্দেশ দিয়ে।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই আজি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। এই দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, পৰীক্ষা নিয়ন্ত্ৰক ইৰিঞ্জিত হাজৰিকাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ প্ৰথমগৰাকী উপাচাৰ্য ড০ জয়প্ৰকাশ বাৰ্মাৰ কাৰ্যকাল শেষ হোৱাত ড০ হাজৰিকাক ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব দিয়া হৈছে।

০০০০০

ডিব্ৰুগড়ৰ মানকটাত আজি ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ অধীনত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জনজাতীয় লোকসকলক চৰকাৰী আঁচনিৰ বিভিন্ন সেৱা আগবঢ়োৱা হয়। তদুপৰি মহিলা আৰু শিশু কল্যাণৰ দিশত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, সংহত শিশু বিকাশ কেন্দ্ৰই আগবঢ়োৱা সেৱাৰ সুবিধা, টীকাকৰণ আদিৰ সুবিধাও সামৰি লোৱা হৈছে।

০০০০০

সদৌ অসম সত্ৰ মহাসভাই ৰাজ্যৰ সকলো সত্ৰৰ ভূমি দখলমুক্ত কৰিবলৈ দৃঢ় আৰু সময়োচিত সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবত আজি অনুষ্ঠিত এখন সংবাদ মেলত সদৌ অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক তথা নগাঁৱৰ শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে কয়, যে ৰাজ্যৰ খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা আৰু ভাষা-সংস্কৃতি সুৰক্ষাৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মাই লোৱা ভূমিকা সঁচাকৈয়ে প্ৰশংসনীয় আৰু আদৰণীয়। তেওঁ লগতে কয়, যে সদৌ অসম সত্ৰ মহাসভাই গোৱালপাৰাত স্থাপন কৰা আই খেৰসুতী বিশ্ববিদ্যালয়ত অহা ডিচেম্বৰৰ পৰা গৱেষণাৰ পাঠ্যক্ৰমেৰে শ্ৰেণীসমূহ আৰম্ভ কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে। এই ক্ষেত্ৰত প্ৰয়োজনীয় অনুমতিৰ বাবে ৰাজ্য চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ লগত যোগাযোগ কৰি থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰধান সম্পাদক গোস্বামীয়ে সংবাদমেলত ঘোষণা কৰে যে অসমৰ সত্ৰসমূহৰ তথ্য সম্বলিত এখন গ্ৰন্থ এবছৰৰ ভিতৰত প্ৰকাশ কৰিবলৈ সদৌ অসম সত্ৰ মহাসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ বাবে শিক্ষাবিদ, সাহিত্যিক, গৱেষক-পণ্ডিতসকলক লৈ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হৈছে বুলি লগতে তেওঁ জানিবলৈ দিয়ে।     ০০০০০০

০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত কাইলৈৰ পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। কাইলৈ বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। পুনৰ ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। ইতিমধ্যে দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰত উখল-মাখল

পৰিৱেশৰ সৃষ্টি হৈছে। অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি দুৱাৰ মুকলি হোৱাৰ দুদিন অৰ্থাৎ ২৬ আৰু ২৭ জুনত ৫০১ টকাৰ বিশেষ টিকটৰ ব্যৱস্থা বন্ধ থাকিব। একেদৰে ভি আই পি, ভি ভি আই পিৰ বাবেও পাছৰ কোনো ব্যৱস্থা নাথাকিব। আনহাতে আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা উপস্থাপন কৰা হৈছে। আনহাতে আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। ইপিনে অম্বুবাচী মহাযোগৰ সময়ছোৱাত জোতা-চেণ্ডেল পৰিধান কৰি কামাখ্যা মন্দিৰলৈ নাযাবলৈ সকলোকে আৰক্ষী প্ৰশাসনে আহ্বান জনাইছে। উল্লেখযোগ্য যে পৰ্যটন বিভাগে কামৰূপ মহানগৰ জিলা প্ৰশাসনলৈ অম্বুবাচী মহাযোগ আয়োজনৰ বাবে ৪ কোটি ৫৫ লাখ টকা আগবঢ়াইছে।

অম্বুবাচীৰ প্ৰবৃত্তিৰ সৈতে সংগতি ৰাখি কাইলৈ কাইলৈ দুপৰীয়াৰ পৰা উত্তৰ গুৱাহাটীৰ এতিহাসিক দৌল গোবিন্দ মন্দিৰ দৰ্শনাৰ্থীৰ বাবে বন্ধ থাকিব বুলি মন্দিৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিছে

ooooo

অসম চৰকাৰে বাণিজ্যিকভাৱে মটৰ চাইকেল, টেক্সী সেৱাত ব্যৱহাৰ কৰা দুচকীয়া বাহনৰ নম্বৰ প্লেট হালধীয়া কৰাৰ সিদ্ধান্ত গ্ৰহণৰ অংশ হিচাপে আজি অসমৰ প্ৰথমখন হালধীয়া নম্বৰপ্লেটৰ দুচকীয়া বাহনৰ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ৰ পৰা আজি নগাঁও জিলাৰ লাহৰিঘাটৰ সুমন চন্দ্ৰ বৰ্মনক অসমৰ প্ৰথমখন প্ৰমাণপত্ৰ দিয়া হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে বাণিজ্যিভাৱে মটৰ চাইকেল টেক্সী সেৱাত ব্যৱহাৰ কৰা দুচকীয়া বাহনৰ নম্বৰ প্লেট হালধীয়া কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

ooooo

অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতিৰ প্ৰতিনিধি দলে আজি যোৰহাট জিলাৰ লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্প, অসম কৃষি বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। সমিতিৰ অধ্যক্ষ তথা বিধায়ক নুৰুল হুদাৰ নেতৃত্বত যোৱা দলটোৱে যোৰহাট এ টি ৰোডত গছপুলি ৰোপণ কৰাৰ লগতে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰে। অধ্যক্ষ হুদাৰ লগতে সমিতিৰ সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা, কৰিমুদ্দিন বৰভূঞাসহ আন বিশেষজ্ঞসকলে আঁচনিৰ কাম-কাজ পৰিদৰ্শনৰ অন্তত যোৰহাট আৰৰ্ত ভৱনত এখন সভাত মিলিত হয়।

ooooo

বিশ্বনাথৰ ভূমি পৰামৰ্শদাতা সমিতিৰ এখন বৈঠক আজি অনুষ্ঠিত হয়। বিশ্বনাথ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত সাংসদ ৰঞ্জীত দত্তই ভূমি সংৰক্ষণ সন্দৰ্ভত বিস্তাৰিতভাৱে পৰ্যালোচনা কৰি সকলোকে নিজৰ দায়িত্ব পালন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱালৰ লগতে জিলা আয়ুক্ত উপস্থিত থাকে।

ooooo

ডিব্ৰুগড়ৰ মানকটাত আজি ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযানৰ অধীনত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত জনজাতীয় লোকসকলক চৰকাৰী আঁচনিৰ বিভিন্ন সেৱা আগবঢ়োৱা হয়।

তদুপৰি মহিলা আৰু শিশু কল্যাণৰ দিশত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, সংহত শিশু বিকাশ কেন্দ্ৰই আগবঢ়োৱা সেৱাৰ সুবিধা, টীকাকৰণ আদিৰ সুবিধাও সামৰি লোৱা হৈছে।

০০০০০

অসম চৰকাৰে বাণিজ্যিকভাৱে মটৰ চাইকেল, টেক্সী সেৱাত ব্যৱহাৰ কৰা দুচকীয়া বাহনৰ নম্বৰ প্লেট হালধীয়া কৰাৰ সিদ্ধান্ত গ্ৰহণৰ অংশ হিচাপে আজি অসমৰ প্ৰথমখন হালধীয়া নম্বৰপ্লেটৰ দুচকীয়া বাহনৰ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। কামৰূপ মহানগৰ জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ৰ পৰা আজি নগাঁও জিলাৰ লাহৰিঘাটৰ সুমন চন্দ্ৰ বৰ্মনক অসমৰ প্ৰথমখন প্ৰমাণপত্ৰ দিয়া হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে বাণিজ্যিভাৱে মটৰ চাইকেল টেক্সী সেৱাত ব্যৱহাৰ কৰা দুচকীয়া বাহনৰ নম্বৰ প্লেট হালধীয়া কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া সংস্থাৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কটকীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০০

ইংলেণ্ডৰ বিৰুদ্ধে লীডছত অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টখনত ভাৰতে নিজৰ স্থিতি সবল কৰি তুলিছে। টেষ্টখনৰ আজি দ্বিতীয় দিনা ভাৰতে ৪৭১ ৰানত প্ৰথম ইনিংছ সামৰে। আগদিনাৰ অপৰাজিত বেটাৰ তথা অধিনায়ক শুভমন গিলে ১৪৭ আৰু উইকেটৰক্ষক বেটাৰ ঋষভ পণ্টে ১৩৪ ৰান কৰি আউট হয়। দুয়োৰে যুটী ভংগ হোৱাৰ পাছতে দীৰ্ঘদিনৰ পাছত টেষ্ট দলত স্থান লাভ কৰা কৰুণ নায়াৰ এক ৰানো নকৰাকৈ আউট হয়। শুভমন আৰু পণ্টে চতুৰ্থ উইকেটৰ যুটীত ২০৯ ৰান সংগ্ৰহ কৰে। শুভমনে ২২৭টা বলৰ ইনিংছটোত ১৯টা বাউণ্ডেৰী আৰু এটা অভাৰ বাউণ্ডেৰী কোবায়। আনহাতে পণ্টে ১৭৮টা বলৰ সন্মুখীন হৈ ১২টা বাউণ্ডেৰী আৰু ৬টা অভাৰ বাউণ্ডেৰী কোবায়। ইংলেণ্ডৰ হৈ বেন ষ্টকছে ৪টা উইকেট দখল কৰে।

০০০০০

বজালী জিলাৰ সৰ্থেবাৰীৰ বাপুজী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মথুৰামোহন গোস্বামীৰ আজি দুপৰীয়া দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা গোস্বামীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ। গোবিন্দপুৰ সত্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰা গোস্বামী কবি, নিবন্ধকাৰ ৰূপেও পৰিচিত আছিল। তেওঁ ৰচনা কৰা কেইখনমান গ্ৰন্থ হৈছে মধুলগ্ন, জীৱন ছন্দ, সুৰ ছন্দ, সেই ৰাত্ৰি, কালৰাত্ৰি, নয়নমণিৰ সংসাৰ ইত্যাদি। তেওঁৰ মৃত্যুত কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে বজালীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীৰ পিতৃ মথুৰা মোহন গোস্বামীৰ মৃত্যুত ভালেসংখ্যক ব্যক্তি আৰু সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

দৰং জিলাৰ মঙলদৈৰ প্ৰফুল্লনগৰ নিবাসী অৱসৰী শিক্ষক কালিৰাম ডেকাৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। জলজলী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধানশিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা ডেকাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭০ বছৰ। এসময়ৰ সুদক্ষ ফুটবল খেলুৱৈ, অভিনেতা ডেকাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০

ওদালগুৰি জিলাৰ পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক তথা সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ অবিভক্ত দৰং জিলাৰ প্ৰাক্তন উপদেষ্টা, আদিবাসী জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক তথা কুডুখ সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক আলেক্স মিঞ্জৰ আজি পুৱতি নিশা টংলাৰ নিজ বাসভৱনত মৃত্যু হয়। দীৰ্ঘদিন ধৰি ৰোগত আক্ৰান্ত হৈ থকা আলেক্স মিঞ্জ একেধাৰে শিক্ষক, সমাজ সেৱক আৰু বিভিন্ন সামাজিক সংগঠনৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত বৃহত্তৰ টংলা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৬৭ বছৰ।

০০০০০

সমাপ্ত